# দোমাই ওজাৰ প্ৰসংগৰে

**জয়কান্ত গন্ধীয়া**

দোমাই ওজাৰ জনমৰ গাঁওখন হ'ল যোৰহাটৰ কৰঙা গন্ধীয়া গাঁও। যোৰহাট নগৰৰপৰা দক্ষিণ দিশে গড়আলিয়েদি চিনামৰা (বা চেনিমৰা, পুৰণিচাম মানুহে এনেদৰে উচ্চাৰণ কৰিছিল) পাৰ হৈ তিতাবৰ মুৱা হ'লেই সেইটো চিৰসেউজ কৰঙা অঞ্চল। অতীজত তাতে দেশৰমানে কৰঙা বন পোৱা গৈছিল বাবেই সেই নাম। সেইখন কৰঙাৰে অনেকখন গাঁৱৰ মাজৰে দোমাই দাইটি—দোমাই ওজা—দোমাই গন্ধীয়াৰ গাঁও, কৰঙা গন্ধীয়া গাঁও, অনেক ঘৰ দুখীয়া—মাথোঁ কেইঘৰমানহে চহকী খেতিয়কৰ গাঁও। বৰ্তমানৰ এই লেখকৰো সেই একেখনেই গাঁও। আমাৰ একেখন গাঁৱতে বোকাৰ মাজত জনম, বাৰিষা একাঁঠু বোকা ফালি বাট বুলা জীৱন। এতিয়া অৱশ্যে সেইটো বাট পকী-বাট হ'ল। সময়ৰ পৰশ...।

গাঁওখনৰ পশ্চিমলৈ এই লেখকৰ ঘৰ। বৰপিতাই আৰু আমাৰ দুটা চৰু, কিন্তু চ'ৰাঘৰ একেটাই। এদিনীয়া মানুহে আমি তাত এঘৰ নে দুঘৰ মানুহে বাস কৰিছোঁহঁক ধৰিবই নোৱাৰে। আমাৰ পূবৰ বাৰীখন গেম কাইহঁতৰ বাৰী-ঘৰ, গেম কাইৰ আচল নাম সোণাৰাম বৰুৱা; ঘৰুৱা পূৰা নাম গেমেশ্বৰ। গেম কাইৰ ককায়েক টেপুৰাম বৰুৱা, ঘৰুৱা নাম দেহাই; গাঁৱত সকলোৱে সেই বুলিহে জানে! গেম কাইহঁতৰ চাৰি ঢাপৰ পশ্চিম ফালৰ ঢাপটোত কেইবাজোপাও দোঁ খাই থকা জাতি বাঁহ, আমাৰ বাৰী-ঘৰত ৰ'দ পৰিবলৈ নিদিয়েই। এওঁলোকৰ বাৰী-ঘৰ পাৰ হৈ সোঁহাতে সেইখন 'কেবেজা বাঁহনি', কি কাৰণেনো এই নাম কাহানিও কাকো সোধা নহ'ল। বাঁহনিডৰাত দেশৰ মানে কেৰেপা-কেৰেপী বাঁহ, ফাগুন মহীয়া বতাহজাক আহিলে কেৰেক কাৰাক কৰিবই। একঠা-ডেৰকঠা মানৰহে ঠাই, কিন্তু সমূলি ৰ'দ নপৰা এনেয়ে জয়াল জয়াল লগা ঠাই। আমাৰ ঘৰৰপৰা ওলাই পূবমূৱাহৈ গাঁৱৰ ঘাই বাটটোৰেদি (তেতিয়াৰ মুহিধৰ গগৈ পথ) আগবাঢ়ি কেবেজা বাঁহনি পাৰ হৈয়ে সেইটো দোমাই দাইটিহঁতৰ—অৰ্থাৎ তাহানিৰ সেই বিখ্যাত দোমাই ওজাৰ ঘৰ। আন কথাত এইজন দোমাই ওজাই হ'ল তেখেততকৈও বেছি জনাজাত হোৱা ন-ৰাম ওজাৰ ঘাইজনা গুৰু!

ক'বলৈ লৈছোঁ বা ওপৰত কৈ আহিলোঁ আমাৰ সৰু কালৰ কথা, ধৰক দোমাই দাইটি, নৰাম ককাইদেউ, গেম কাই কোনো নাই। কেবেজা বাঁহনিখনো নাই। সকলো স্মৃতি হৈ গ'ল। ...মনত পৰা কালৰপৰা আমাৰ গাঁৱৰ আমাৰ চুবুৰিত দুজন মানুহ পাইছিলোঁ,—দুজন বিশেষ মানুহ। এজন গেম কাইহঁতৰ দেউতাক সন্ধিৰাম বৰপিতাই। বৰপিতায়ে বিদ্যালয়ৰ মুখ দেখা নাই, 'ক' বৰ্ণটোৰ কেইটা চুক বৰপিতায়ে কোনো মতে ক'ব নোৱাৰে, কিন্তু দুজনা গুৰুৰ কীৰ্তন আৰু নামঘোষা সন্ধিৰাম বৰপিতাইৰ কণ্ঠস্থ। এই লেখক তেতিয়া চতুৰ্থ কি পঞ্চম শ্ৰেণীত, বৰপিতাইহঁতৰ ঘৰত ৰতিয়া নাম। এপাকত গৈ শুনো—কীৰ্তন পুথিখনৰ ওচৰত পাঠক হিচাপে বহি থকা আমাৰ পিতাই, দোমাই দাইটি আৰু কোনোবা এজনক বৰপিতায়ে কীৰ্তন কেনেকৈ উচ্চ ৰাগত পঢ়িব লাগে শিকাই আছে। ...পাছে ত্ৰিনয়ন দিব্য উপবন দেখিলন্ত বিদ্যমান... মোৰ আজিও মনত পৰে, সন্ধিৰাম বৰপিতায়ে নিজৰ ঘৰতে নিজে পতা ৰতিয়া নামতে গঞাক কীৰ্তনৰ ৰাগ-সুৰৰ জ্ঞান দি মগন হৈ থকা কথাটো। (মই নিজে কীৰ্তনৰ পাঠক হিচাপে নবহোঁ, পিতাইহঁতে ডেকা কালৰপৰা গোৱা, ধৰক আজিৰপৰা ডেৰশ বছৰৰ আগৰ সেই সুৰ-ৰাগ কিন্তু ভালদৰেই মনত আছে। সন্ধিৰাম বৰপিতায়ে সমূলি আখৰ চিনি নাপায়, কিন্তু কীৰ্তন পুথিখন পূৰা মুখস্থ—এই কথাটো জানি তেতিয়াই বৰ উৎসাহিত হৈছিলোঁ। নপঢ়িলেও ইমান মুখস্থ থাকে যেতিয়া পঢ়িলেতো আৰু থাকিব! মুঠতে কীৰ্তনৰ অভিজ্ঞ পাঠক হিচাপে 'সন্ধিৰাম ভকত' আমাৰ গাঁৱৰ জনাজাত লোক আছিল। এখেতসকল পাহৰণিৰ গৰ্ভলৈ যোৱা পূৰ্বৰ প্ৰজন্মৰ একোটাহঁত গ্ৰাম্য নক্ষত্ৰ স্বৰূপ।

আমাৰ কৰঙা গন্ধীয়া গাঁৱৰ আন এজন জনাজাত লোক আছিল ককা টং ওজা। এই টং ওজাই হ'ল আমাৰ এই লেখাৰ কেন্দ্ৰীয় চৰিত্ৰ দোমাই ওজাৰ পিতৃপুৰুষ। দোমাই ওজাৰ মাতৃ লুহুৰী বুঢ়ী আইতা। লুহুৰী বুঢ়ী আইতাই বোলে গাভৰুকালত নাকেৰে পেঁপা বজাইছিল। ককা টং ওজাৰ ঘাইজন শিষ্যই হ'ল বৰপুতেক দোমাই ওজা। ককা টং ওজাই ঢোল বজোৱা আমি নেদেখিলোঁ। তেখেত মোৰ নিজৰ কণীৰাম ককাৰ সময়বয়সীয়া আছিল। মই মোৰ ককা আৰু বুঢ়ীআইতাক নেদেখিলোঁ; আমাৰ গাঁৱৰ সেই চাম মানুহৰ শেষৰ দুজন টং ওজা ককা আৰু লুহুৰী আইতাকহে আমাৰ চাম মানুহে দেখিলোঁহঁক। টং ওজা ককা বগাকৈ, ওখকৈ, পাতলকৈ মানুহজন। দোমাই দাইটিৰ ঘৰটো উজনিৰ মৰাণ সম্প্ৰদায়ৰ মানুহৰ ঘৰৰ দৰে মূধে দুৱাৰ, ওখ ভেটি। মাজতে ভলুকা বাঁহৰ মূধৰ খুঁটাটো। সেইটো খুঁটাতে আঁউজি বহিছিল টং ওজা ককা। সন্ধিৰাম বৰপিতাইৰ দৰে টং ওজা ককাও তাহানিৰ পুৰুষৰ এটা গ্ৰাম্য নক্ষত্ৰ, যি নক্ষত্ৰ গাঁৱতে জিলিকি গাঁৱতে মাৰ গ'ল। কোনেও নজনাকৈ এইসকল লোকে এদিন ধৰি ৰাখিছিল অসমৰ লোকসংস্কৃতিৰ পৰম্পৰাগত ৰূপটো, দি গৈছিল পিছৰ প্ৰজন্মক।

টং ওজাৰ তিনিজন পুত্ৰ, বৰপুত্ৰ দোমাই ওজা বুলি উল্লেখ কৰা হৈছেই। মাজু পুত্ৰ ফোপোলা দাইটিৰ গাত ককাৰ দৈহিক গঠন বা চাল-চলন ভালেখিনি প্ৰতিফলিত হোৱা যেন লাগিছিল। লোককৃষ্টিৰ আকৰ এইখন ঘৰৰ ফোপোলা দাইটি এজন লোকশিল্পী আছিল। তেওঁ বৰ উত্তমকৈ টোকাৰী বজাইছিল। দাইটিয়ে জীৱনৰ এছোৱা সময়ত প্ৰায় দুপৰ নিশালৈকে টোকাৰীৰ চাৰিগছি বটীয়াত লোকসুৰৰ অমিয়া তুলিছিল... ধে ধে নুদু উদুন দুন দুন...দুন... গুৰুদেউ গুৰুদেউ ই-কথা শুনিব কোনে মোৰ...; আমি পঢ়ি-শুনি উঠি শেতেলীত পৰি কাণ উনাই শুনিছিলোঁহঁক।

'বায়নৰ ঘৰৰ বোন্দায়ো ৰাগ দিয়ে' বুলি আমাৰ ঘৰুৱা কথা এষাৰ আছে। কথাষাৰ দোমাই ওজাৰ গাতে ফলিয়াইছে। দোমাই দাইটিৰ অপঘাতত অকাল বিয়োগ ঘটিছিল, সেয়ে তেখেতক বহুবোৰ কথা সোধাই নহ'ল। এই ধৰক কেতিয়াৰপৰা ঢোল বজাবলৈ শিকিছিল, বাপেকে কেনেদৰে শিকাইছিল, নে বোধ জন্মৰ দিনাৰপৰাই বাপেকে ঢোল বজোৱা দেখি বোলবোৰ মনত বৈ বৈ পাছত বজাবলৈ শিকিছিল, কেতিয়ানো বাপেকে ঘাই পালিৰপৰা ওজাৰ 'নিৰ্মালি' দি স্বীকৃতি দিছিল ইত্যাদি কথাবোৰ। ওজাই পালিক নিৰ্মালি দি পূৰ্ণাংগ ওজাৰ স্বীকৃতি দিব লগাটো পৰম্পৰাগত প্ৰথা; আজিকালিহে মঞ্চত বা টেলিভিছনৰ কেমেৰাৰ আগত ভালকৈ ঢোল বজাই দেখুৱালেই যাকে তাকে ওজা বুলি কোৱা হয়, দোমাই দাইটিহঁতৰ দিনত বা আমাৰো ডেকা কাললৈকে তেনে ব্যৱস্থা কোনোমতে নাছিল। ডেকা কালছোৱাই দাইটিৰ 'ওজাৰ কাল' আছিল, সেয়ে বিয়া ঘৰত বা আন ঠাইতো 'দোমাই ওজা'জনক আমি বৰকৈ ঢোল বজোৱা ('ঢুলীয়া হাত' কৰা) নেদেখিলোঁ। এই লেখকৰ আজিও মনত পৰে—টং ওজা ককা মৃত্যুৰ পাছত কৰঙা খাতৰ এখন ৰাজহুৱা সভাত দোমাই ওজাই ঢোল বজাইছিল, বাঃ ঢোলৰ কিয়ে